
স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

৭ জুন ২০২৬ চন □ VOL-16 □ NO-113 □ SATURDAY 27 JUNE 2026 (ডিব্ৰুগড় সংস্কৰণ/DIBRU

অধ্যক্ষ ড° শইকীয়াৰ নেতৃত্বত
শৈক্ষিক-আন্তঃগাঁথনি উন্নয়নৰ স্বৰ্ণিল দশক

## আজি ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ৰ ৮১সংখ্যক প্ৰতিষ্ঠা দিৱস



বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২৬ জুন ঃ উচ্চ শিক্ষাৰ ক্ষেত্ৰত অসমৰ অন্যতম প্ৰাচীন আৰু ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-এ গৌৰৱময় ৮১সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰাৰ মুহূৰ্তত মহাবিদ্যালয়খনৰ যাত্ৰাপথলৈ উভতি চালে যোৱা এটা দশক বিশেষভাৱে স্মৰণীয় হৈ ৯ পৃষ্ঠাত

হাঁজ্ৰিং
ত্য
কৰে
হিত্য
ত বৰ্ণাঢ্য
ায়ণ



অৱসৰী প্ৰধান শিক্ষক

## মিনাৰাম দত্তৰ বিয়োগত মাজুলীত শোক

নিয়মীয়া বাৰ্তা, বনগাঁও, ২৬ জুন ঃ মাজুলীৰ অভয়পুৰীয়া গাঁৱৰ নিৱাসী তথা মূদৈবিল উচ্চ বুনিয়াদী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মিনাৰাম দত্তৰ আজি বিয়লি প্ৰায় ২ বজাত ৬৯ বছৰ বয়সত ... ৮ পৃষ্ঠাত

## ঔদ্যোগিক ক্ষেত্ৰত সূচন... আশাৰ বতৰা আনিছে এম...

নিয়মীয়া বাৰ্তা, নামৰূপ, ২৬ জুন ঃ ... স্মৰণীয় অধ্যায়ৰ সামৰণি পৰিল। ১... প্ৰথমটো প্ৰাকৃতিক গেছভিত্তিক সাৰ ... কৰা (ইউনিত) ঐতিহাসিক 'নামৰূপ... হৈছে। প্ৰায় ৫৭ বছৰৰ দীঘলীয়া যাত্ৰা...

মহাপুৰুষ শ্ৰীমন্ত ...
MAHAPURUSHA SRIMANTA ...
Naga...

NOTICE FOR INV...

Sealed tenders are invited for con...
-tiling, electrical and sanitary works...
Block-I, Academic Block-II and A...
Raidongia Campus.
For details visit University website: ...

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

...াব্দ ▢ ২৭ জুন ২০২৬ চন ▢ VOL-16 ▢ NO-113 ▢ SATURDAY 27 JUNE 2026 (ডিব্ৰুগড় সংস্কৰণ/DIBRU...

# আজি ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ৰ ৮১সংখ্যক

ৰ'ব। ২০১৫ চনৰ পৰা ২০২৬ চনলৈ অধ্যক্ষ ড° শশীকান্ত শইকীয়াৰ সুদূৰপ্ৰসাৰী চিন্তা, দূৰদৰ্শী নেতৃত্ব আৰু সকলোকে লগত লৈ ঐক্যবদ্ধভাৱে কাম কৰি যোৱাৰ মানসিকতা, অধিক কৰ্মপ্ৰেৰণাৰে মহাবিদ্যালয়খনে শিক্ষাৰ মানদণ্ড, আন্তঃগাঁথনি, গৱেষণা, তথ্য-প্ৰযুক্তি আৰু প্ৰশাসনিক সংস্কাৰৰ ক্ষেত্ৰত এক নতুন যুগৰ সূচনা কৰিবলৈ সক্ষম হৈছে। ১৯৪৫ চনত প্ৰতিষ্ঠিত এই ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানখন কেৱল ডিব্ৰুগড় বা উজনি অসমৰেই নহয়, সমগ্ৰ দেশৰ উচ্চ শিক্ষাৰ এক উজ্জ্বল প্ৰতীক। সময়ৰ সৈতে খোজ মিলাই আগবাঢ়িবলৈ যি ধৰণৰ আধুনিকীকৰণ আৰু গুণগত পৰিৱৰ্তনৰ প্ৰয়োজন হৈছিল, তাৰ বাস্তৱ ৰূপায়ণ ঘটিছে অধ্যক্ষ ড° শশীকান্ত শইকীয়াৰ কাৰ্যকালত। তেওঁৰ নেতৃত্বত মহাবিদ্যালয়খনত ব্যাপক ডিজিটেল ৰূপান্তৰ সাধন কৰা হৈছে। অনলাইন ছাত্ৰ একতা সভাৰ নিৰ্বাচন, নামভৰ্তি ব্যৱস্থা, কাগজবিহীন প্ৰশাসনিক কাম-কাজ, শিক্ষাৰ্থীৰ উপস্থিতি পৰ্যবেক্ষণৰ বাবে এলএমএছৰ ব্যৱহাৰ, শ্ৰেণীকক্ষত কৃত্ৰিম বুদ্ধিমত্তা সম্পন্ন স্মাৰ্টব'ৰ্ডৰ ব্যৱস্থা, ৮০ শতাংশ শ্ৰেণীকোঠাত শীততাপ নিয়ন্ত্ৰিত ব্যৱস্থা, চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলৰ কামৰ খতিয়ানৰ বাবে 'কৰ্মবন্ধু এপ' আৰু ডিজিটেল লাইব্ৰেৰীৰ জৰিয়তে মহাবিদ্যালয়খনে তথ্য প্ৰযুক্তিৰ সমৃদ্ধ উচ্চ শিক্ষানুষ্ঠানৰ ৰূপ লাভ কৰিছে। শিক্ষাৰ্থী আৰু শিক্ষকসকলৰ বাবে তথ্য-প্ৰযুক্তি নিৰ্ভৰ শিক্ষণ-শিকন প্ৰক্ৰিয়া অধিক ফলপ্ৰসূ আৰু যুগোপযোগী কৰি তোলা হৈছে। শৈক্ষিক উৎকৰ্ষতাৰ ক্ষেত্ৰতো এই সময়ছোৱাত মহাবিদ্যালয়খনে উল্লেখযোগ্য সাফল্য অৰ্জন কৰিছে। বিভিন্ন নতুন পাঠ্যক্ৰম, দক্ষতাভিত্তিক শিক্ষা, গৱেষণামুখী কাৰ্যসূচী আৰু শৈক্ষিক মান উন্নয়ৰ ফলস্বৰূপে মহাবিদ্যালয়খনে NAACৰ মূল্যায়নত 'এ' গ্ৰেড লাভ কৰি গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। এই সাফল্য কেৱল কোনো পৰিসংখ্যাগত অৰ্জন নহয়, ই হৈছে সমগ্ৰ মহাবিদ্যালয়-পৰিয়ালৰ একাগ্ৰতা, শ্ৰম আৰু নেতৃত্বৰ এক উজ্জ্বল নিদৰ্শন। উল্লেখ্য স্বচ্ছতা, পৰিৱেশ, প্ৰযুক্তিকে ধৰি প্ৰায় ৫০টাৰো অধিক সফলতা, সন্মান, বঁটা কঢ়িয়াই আনিবলৈ সক্ষম হোৱা মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াকো কৰ্মসূৰ্য, ডিবৰু হিতৈষীকে ধৰি ৩০টাৰো অধিক সন্মান, বঁটা, উপাধি আৰু ২০০ৰো অধিক চৰকাৰী, বেচৰকাৰী, জাতীয় দল-সংগঠনে মহাবিদ্যালয়খনক গতি প্ৰদান কৰি সফলতা কঢ়িয়াই অনাৰ বাবে ইতিমধ্যে অধ্যক্ষগৰাকীক ৰাজহুৱা সম্বৰ্ধনা জ্ঞাপন কৰিছে। মহাবিদ্যালয়খনত গৱেষণা আৰু উদ্ভাৱনৰ ক্ষেত্ৰতো এই সময়ছোৱাত নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি হৈছে। গৱেষণা আৰু উন্নয়ন কোষ, উদ্ভাৱন কোষ, কেৰিয়াৰ কাউন্সেলিং আৰু প্লেচমেণ্ট চেলকে ধৰি বিভিন্ন শৈক্ষিক আৰু ছাত্ৰকল্যাণমূলক ব্যৱস্থাও শক্তিশালী কৰা হৈছে। ইয়াৰ ফলত শিক্ষাৰ্থীসকলে কেৱল পুথিগত জ্ঞানতেই সীমাবদ্ধ নাথাকি গৱেষণা, উদ্ভাৱন আৰু কৰ্মসংস্থাপনৰ নতুন ক্ষেত্ৰসমূহৰ সৈতেও সংযুক্ত হ'বলৈ সক্ষম হৈছে। অধ্যক্ষ ড° শইকীয়াৰ কাৰ্যকালৰ অন্যতম ঐতিহাসিক সাফল্য হৈছে মহাবিদ্যালয়খনৰ স্বায়ত্তশাসিত মৰ্যাদা লাভ। এই মৰ্যাদাই মহাবিদ্যালয়খনক নিজা শৈক্ষিক নীতি, পাঠ্যক্ৰম উন্নয়ন, মূল্যায়ন ব্যৱস্থা আৰু উদ্ভাৱনীমূলক শিক্ষাৰ ক্ষেত্ৰত অধিক স্বাধীনতা প্ৰদান কৰিছে। ফলস্বৰূপে, শিক্ষাৰ্থীসকলৰ বাবে অধিক মানসম্পন্ন, যুগোপযোগী আৰু কৰ্মমুখী শিক্ষা নিশ্চিত কৰাৰ পথ সুগম হৈছে। ইয়াৰ সমান্তৰালভাৱে মহাবিদ্যালয়খনৰ আন্তঃগাঁথনিগত উন্নয়নেও এক নতুন মাত্ৰা লাভ কৰে। অধ্যক্ষ ড° শইকীয়াৰ নেতৃত্বতে চলিত বৰ্ষৰ পৰা মহাবিদ্যালয়খনত আইটেপৰ পাঠ্যক্ৰমো শুভাৰম্ভ হ'ব। বিগত দশকটোত মহাবিদ্যালয়খনত আঠটাকৈ বিভাগত স্নাতকোত্তৰ পাঠ্যক্ৰম আৰু নটা বিভাগত স্নাতক পাঠ্যক্ৰম নতুনকৈ মুকলি কৰা হয়। অত্যাধুনিক পৰীক্ষাগাৰ, উন্নত গ্ৰন্থাগাৰ, সুন্দৰ চৌহদ, ঔষধি উদ্যান, দুটাকৈ শৰীৰ চৰ্চা কেন্দ্ৰকে ধৰি কেইবাটও বিভাগৰ নতুন ভৱন, খেলপথাৰ নিৰ্মাণ, নতুন ছাত্ৰীনিৱাস নিৰ্মাণকে ধৰি ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে বিভিন্ন নতুন সা-সুবিধা, পৰিৱেশ-অনকূল সেউজীয়া চৌহদ, পৰিষ্কাৰ-পৰিচ্ছন্নতা অভিযান আৰু বিভিন্ন সামাজিক দায়বদ্ধতামূলক কাৰ্যসূচীয়ে মহাবিদ্যালয়খনক এক আদৰ্শ শিক্ষানুষ্ঠান হিচাপে প্ৰতিষ্ঠিত কৰিছে। শিক্ষাৰ লগতে নৈতিক মূল্যবোধ, সামাজিক দায়বদ্ধতা আৰু মানৱীয় চেতনাৰ বিকাশৰ ক্ষেত্ৰতো মহাবিদ্যালয়খনে এই সময়ছোৱাত বিশেষ গুৰুত্ব আৰোপ কৰিছে। বিভিন্ন সাংস্কৃতিক, সাহিত্যিক, ক্ৰীড়া আৰু সমাজসেৱামূলক কাৰ্যসূচীৰ জৰিয়তে শিক্ষাৰ্থীসকলক এক সম্পূৰ্ণ ব্যক্তিত্বসম্পন্ন নাগৰিক হিচাপে গঢ়ি তোলাৰ প্ৰয়াস অব্যাহত ৰাখিছে। ১৫ জুনত অনুষ্ঠিত হ'বলগীয়া প্ৰতিষ্ঠা দিৱসটি বিশেষ কাৰণত কাইলৈ বৰ্ণিল কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। ৮১সংখ্যক প্ৰতিষ্ঠা দিৱসৰ এই গৌৰৱোজ্জ্বল ক্ষণত ডিএইচএছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ ইতিহাসৰ এই স্বৰ্ণিল অধ্যায় বিশেষভাৱে স্মৰণীয় হৈ ৰ'ব। উল্লেখ্য যে অধ্যক্ষ ড° শশীকান্ত শইকীয়াৰ নেতৃত্বত যোৱা এটা দশকত মহাবিদ্যালয়খনে যি উন্নয়ন, সাফল্য আৰু স্বীকৃতিৰ শিখৰ স্পৰ্শ কৰিছে, সেয়া নিঃসন্দেহে প্ৰতিষ্ঠানখনৰ ইতিহাসত এক মাইলৰ খুঁটি হিচাপে চিহ্নিত হৈ থাকিব। ঐতিহ্যৰ দৃঢ় ভেটিত আধুনিকতাৰ নতুন স্বপ্নক সাকাৰ কৰি ডিএইচএছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-এ আজি ৮১ বছৰৰ গৌৰৱোজ্জ্বল যাত্ৰাত নতুন দিগন্তৰ দিশে আত্মবিশ্বাসেৰে আগবাঢ়িছে।

## মহাবিদ্যালয়ৰ বিভি...

অন্যতম সেউজ মহাবিদ্যালয় চৌহদ। য'ত
লয় চৌহদ চাফ-চিকুণতাৰ বাবে জীপাল
ৰ বাবে ভাৰতত ২০১৭ চনত **ডিজিটেল**

চনৰ পৰা বৰ্তমানলৈকে বিশ্বত প্ৰথমবাৰ
অনুষ্ঠিত হয় ছাত্ৰ একতা সভাৰ নিৰ্বাচন।
নত বিশ্বৰ প্ৰথমবাৰৰ বাবে শ্ৰেণীকোঠাত অ
ৰা হৈছিল।
চনত উত্তৰ-পূৰ্ব ভাৰতৰ ভিতৰত প্ৰথম
লয় ৰূপে স্বীকৃত।
ণীকোঠাৰ **শীত-তাপ** নিয়ন্ত্ৰিত সুবিধা।
তানাকুল সভাকক্ষ, প্ৰেক্ষাগৃহ, মুকলিমঞ্চ
াঠাসমূহ আৰু বৈদ্যুতিক পানীৰ মটৰসমূ
ণীৰ কৰ্মচাৰী ব্যৱস্থাপনাৰ বাবে **'কৰ্মবন্ধু**
প্ৰথমবাৰৰ বাবে মহাবিদ্যালয়খনত মুকলি
নত উত্তৰ পূৰ্ব ভাৰতত প্ৰথমবাৰৰ বাবে
**(AI) ডিজিটেল স্মাৰ্ট বোৰ্ড স্থাপন।**
নৰ পৰা গ্ৰীণ ক্লাব, ছাত্ৰীনিৱাস আৰু ছাত্ৰা
কাৰ্যকলাপ (দেওবাৰ নাই, ছুটি নাই, গ্ৰী
মাহলৈকে মুঠ ৪৩৯৪ দিন)
ছাত্ৰীৱাসত দৈনিক ৰাতিপুৱাৰ যোগাভ্যাস
চেণ্টাৰ, ম'বেল এডুকেশ্বন চেণ্টাৰ,
for Indian Knowledge System
শিক্ষণ কেন্দ্ৰ, ২০২৫
Environment Cell & Eco Club,
IBBON CLUB, Govt. of India
Counselling-ৰ সুবিধা
য় গৱেষণা আৰু উন্নয়ন কেন্দ্ৰ, ২০২১
d Incubation Centre
আৰু ছাত্ৰী নিৱাসৰ পৰা নিয়মীয়া আলোচ
ৰ চেণ্টাৰ, ২০২৪
লয়ৰ চৌহদত 65KW সৌৰ চালিত ল
য় ভাৰতত মহাবিদ্যালয় পৰ্যায়ত প্ৰথম খ
াৰ স্থাপন কৰা হয়।
লাৰ সুবিধা, ২০২৫
ক ছাত্ৰ আৰু ছাত্ৰীৰ বাবে পৃথক জিৰণী
নৰ কেণ্টিনৰ সুবিধা।
জিটেল লাইব্ৰেৰী সা-সুবিধা।
আৰু আউটড'ৰ ব্যায়ামাগাৰৰ সুবিধা।
ক প্ৰেক্ষাগৃহ (নিৰ্মীয়মান) আৰু লালচান্দ
লয় চৌহদত ভাৰতৰ প্ৰথম বিনামূলীয়া প
ন্তঃগাঁঠনিৰ NCC ভৱন।
ক সুবিধাৰে পৰিপূৰ্ণ ইংৰাজী, গণিত, ক
ভৱন।